পাঁচ ওৱাক্ত চালাত, এটা জুমু‘আৰ পৰা আনটো জুমু‘আ তথা এটা ৰামাজানৰ পৰা আনটো ৰামাজান, ইয়াৰ দ্বাৰা সেইবোৰ গুনাহৰ কাফফাৰা হয়, যিবোৰ ইয়াৰ মধ্যৱৰ্তী সময়ত হৈ থাকে, যদিহে কবীৰাহ গুনাহৰ পৰা বিৰত থকা হয়।

আবু হুৰাইৰাহ ৰাদ্বিয়াল্লাহু আনহুৰ পৰা বৰ্ণিত, ৰাছুলুল্লাহ চাল্লাল্লাহু আলাইহি অছাল্লামে কৈছেঃ পাঁচ ওৱাক্ত চালাত, এটা জুমু‘আৰ পৰা আনটো জুমু‘আ তথা এটা ৰামাজানৰ
পৰা আনটো ৰামাজান, ইয়াৰ দ্বাৰা সেইবোৰ গুনাহৰ কাফফাৰা হয়, যিবোৰ ইয়াৰ মধ্যৱৰ্তী সময়ত হৈ থাকে, যদিহে কবীৰাহ গুনাহৰ পৰা বিৰত থকা হয়।
[ছহীহ] [(মুছলিম)]

নবী চাল্লাল্লাহু আলাইহি অছাল্লামে জনাইছে যে, দিনে ৰাতি পাঁচ ওৱাক্ত ফৰজ নামাজ পঢ়িলে আৰু প্ৰতি সপ্তাহত জুমাৰ চালাত আদায় কৰিলে, লগতে প্ৰতি বছৰ ৰমাজান মাহৰ ৰোজা ৰাখিলে, ইয়াৰ মধ্যৱৰ্তী সময়ছোৱাত যিবোৰ চাগীৰাহ বা সৰু গুনাহ হয় সেইবোৰ মাফ হৈ যায়, যদিহে ব্যক্তিজনে কাবীৰাহ বা ডাঙৰ গুনাহৰ পৰা বিৰত থাকে। আনহাতে ব্যভিচাৰ, মাদক দ্ৰৱ্য সেৱন আদিৰ দৰে কাবীৰাহ গুনাহবোৰ তাওবা নকৰাকৈ ক্ষমা নহয়।

http://www.sunnah.global/hadeeth/as/show/3591